NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-11-2026
Time : 1340 Hrs.

Assamese Midday Bulletin
HEADLINES

oooooooo

১। ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে হোমিঅ'পেথিক চিকিৎসাৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিবলৈ আহ্বান জনাইছে।
২। কেন্দ্রীয় ঔষধ পৰীক্ষাগাৰসমূহে যোৱা মাহত মান গুণৰ অনুৰূপ নোহোৱা ৩৭ বিধ ঔষধৰ নমুনা চিনাক্ত কৰিছে।
৩। সর্বোচ্চ ন্যায়ালয়ে ২০২০ চনত উত্তৰ পূব দিল্লীৰ সংঘর্ষৰ ষড়যন্ত্রত জড়িত থকাৰ গোচৰত শ্বার্জিল ইমাম আৰু ওমৰ খালিদক অন্তর্বর্তীকালীন জামিন দিবলৈ অস্বীকাৰ কৰিছে।
৪। অসমৰ মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই ৰঙিয়াৰ তুলসীবাৰীত আজি এটা নতুন প্রতিৰক্ষা সামগ্রী নির্মাণ উদ্যোগৰ আধাৰশিলা স্থাপন কৰে।

আৰু

৫। মহিলাৰ এছিয়ান চেম্পিয়নছ্ হকী প্রতিযোগিতাত আজি ভাৰত জাপানৰ বিৰুদ্ধে মুখামুখি হ'ব।

oooooooo

ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে বিজ্ঞানসম্মত গৱেষণা শক্তিশালীকৰণ, তথ্যভিত্তিক নিৰীক্ষণ আৰু ৰোগীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে হোমিঅ'পেথিৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্রপতিগৰাকীয়ে কয়, যে ২০৪৭ চনৰ বিকশিত ভাৰতত স্বাস্থ্যসেৱা আৰু শিক্ষা দুটা মূল প্রয়োজনীয় স্তম্ভ হিচাপে পৰিগণিত হ'ব। ওড়িশা ভ্রমণৰ অন্তিমদিনা ভূৱনেশ্বৰৰ ডাঃ অভিন্ন চন্দ্র হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত আয়োজিত হোমিঅ'পেথিৰ অভিৱর্তনত অংশ লৈ দিয়া ভাষণত ৰাষ্ট্রপতিগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ এই চিকিৎসা পদ্ধতিক বিজ্ঞানসম্মত সত্যনিষ্ঠতা, গৱেষণা আৰু চিকিৎসা বিজ্ঞান আধাৰিত তথ্য প্রমাণৰ সহায়ত ভৰিষ্যতৰ বাবে অধিক উপযোগী কৰি তুলিবলৈ আহ্বান জনায়। তেওঁ কয়, যে ব্যাপক অধ্যয়ন শৃংখলাবদ্ধ গৱেষণা স্বচ্ছ প্রতিবেদন আৰু চিকিৎসা বিজ্ঞানৰ প্রতিষ্ঠানসমূহৰ মাজত অধিক সমন্বয় সাধনেৰে এই ব্যৱস্থা ফলপ্রসূ কৰি তুলিব পৰা যাব। কৃত্রিম বুদ্ধিমত্তা, ডিজিটেল স্বাস্থ্য প্রযুক্তি আৰু আধুনিক গৱেষণাৰ ৰূপান্তৰকাৰী ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্রীমতী মুর্মুৰে হোমিঅ'পেথিক প্রতিষ্ঠানসমূহৰ প্রযুক্তিৰ উন্নয়নৰ সুবিধা আৰু সাম্প্রতিক শিক্ষণ পদ্ধতিসমূহৰ সুবিধা গ্রহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে ৰোগীৰ সুৰক্ষা, মানৱীয়া মর্যাদা আৰু সহানুভূতি স্বাস্থ্য সেৱাৰ অন্যতম উপাদান হোৱা উচিত। গ্রাম্য স্বাস্থ্য সেৱা আৰু শিক্ষাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি তেওঁ কয়, যে গ্রামাঞ্চলৰ লোকৰ বাবে স্বাস্থ্য সেৱাৰ সুবিধা উপলভ্য কৰি তুলিবলৈ গুৰুত্ব দিয়া প্রয়োজন।

বাইট (ৰাষ্ট্রপতি)

এই অভিৱর্তনে বিজ্ঞানসম্মত আলাপ-আলোচনা, প্রতিষ্ঠানসমূহৰ মাজত অংশীদাৰিত্ব আৰু নতুন প্রজন্মক দক্ষ আৰু দায়ৱদ্ধ কৰি তোলাৰ ক্ষেত্রত ভূমিকা গ্রহণ কৰিব বুলি তেওঁ আশা প্রকাশ কৰে।

oooooooo

কেন্দ্রীয় ঔষধ পৰীক্ষাগাৰসমূহে যোৱা মাহত মান গুণৰ অনুৰূপ নোহোৱা ৩৭ বিধ ঔষধৰ নমুনা চিনাক্ত কৰিছে। ইয়াৰ উপৰি ৰাজ্যিক ঔষধ পৰীক্ষণ পৰীক্ষাগাৰসমূহে মান গুণৰ অনুৰূপ নোহোৱা ২৮৭ বিধ নমুনা ধৰা পেলাইছে। নিয়মীয়া নিৰীক্ষণৰ অংশ হিচাপে কেন্দ্রীয় ঔষধ মান নিয়ন্ত্রণ সংস্থাই ইয়াৰ ৱেবছাইটৰ জৰিয়তে প্রতিমাহে মান গুণৰ অনুৰূপ নোহোৱা আৰু নকল ঔষধৰ সূচী প্রকাশ কৰে। চৰকাৰী পৰীক্ষাগাৰত পৰীক্ষা কৰা ঔষধৰ বিশেষ খেপৰ এই নিয়ম প্রযোজ্য হয়। পৰীক্ষাৰ ফলাফলক লৈ বজাৰত উপলব্ধ অন্য ঔষধক লৈ চিন্তা কৰাৰ কোনো কাৰণ নাই। কেন্দ্রীয় ঔষধ মান নিয়ন্ত্রণ সংস্থাই প্রকাশ কৰা মতে অসমৰ ৰাজ্যিক ঔষধ পৰীক্ষাগাৰত ঔষধৰ এটা নমুনা নকল বুলি চিনাক্ত কৰিছে। এই ঔষধবিধ অনাধীকৃত

প্রস্তুতকাৰীয়ে অন্য কোম্পানীৰ মালিকানাধীন ব্ৰেণ্ডৰ নাম ব্যৱহাৰ কৰি প্ৰস্তুত কৰিছিল। কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰণ সংস্থাই ঘটনাটোৰ তদন্ত অব্যাহত আছে আৰু যাৱতীয় আইন তথা নিয়ম অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০০০

মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ে কাইলৈ পাটনাত ৰাষ্ট্ৰীয় দুগ্ধ দিৱস ২০২৬ পালন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং তথা ৰাজ্য মন্ত্ৰী প্ৰফেচাৰ এছ পি সিং ৰাঘেল, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু বিহাৰৰ দুগ্ধ, মীন আৰু পশুপালন মন্ত্ৰী নন্দ কিশোৰ ৰাম উপস্থিত থাকিব। এই অনুষ্ঠানে দুগ্ধ উৎপাদক আৰু অংশীদাৰসকলক এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে থলুৱাজাতৰ গৰু আৰু ম'হৰ সংৰক্ষণ, দুগ্ধ উন্নয়ন আৰু পশুধনৰ উৎপাদনশীলতাৰ ক্ষেত্ৰত থকা অৱদানৰ স্বীকৃতি দি তিনিটা শাখাত ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা ২০২৬ প্ৰদান কৰিব। উত্তৰ পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বিজয়ীসকলকো প্ৰতিটো শাখাতে বিশেষ বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতেই কেইবাটাও দুগ্ধ আন্তঃগাঁথনি প্ৰকল্প দেশৰ বাবে উৎসৰ্গা কৰা হ'ব। ইয়াৰ ভিতৰত দুগ্ধ সংগ্ৰহ আৰু তথ্য প্ৰক্ৰিয়াকৰণ একক, খনিজ মিশ্ৰণ প্ৰকল্প, প্ৰতি দিনে ২ লাখ লিটাৰ গাখীৰ প্ৰসংস্কৰণ কৰিব পৰা ক্ষমতা থকা প্ৰকল্পও থাকিব। উল্লেখযোগ্য যে, দেশৰ শ্বেত বিপ্লৱৰ জনক ড০ ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তী উপলক্ষে, ভাৰতক বিশ্বৰ সৰ্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশলৈ পৰিগণিত কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদানক স্বীকৃতি দিবলৈ ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হয়।

০০০০০০০০

সৰ্বোচ্চ ন্যায়ালয়ে ২০২০ চনত উত্তৰ পূব দিল্লীত সংঘটিত সংঘৰ্ষৰ ষড়যন্ত্ৰৰ সৈতে জড়িত গোচৰত শ্বৰ্জিল ইমাম আৰু ওমৰ খালিদক অন্তৰ্বৰ্তীকালীন জামিন দিবলৈ অস্বীকাৰ কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ন্যায়াধীশ ভি মোহনাক লৈ গঠিত এখন বিচাৰপীঠে গোচৰটোৰ সংক্ৰান্তত দিল্লী আৰক্ষীলৈ জাননী জাৰি কৰিছে আৰু উত্তৰ বিচাৰিছে। বিচাৰপীঠখনে কয় যে অন্তৰ্বৰ্তীকালীন জামিন আবেদন বিবেচনা কৰাৰ পূৰ্বে দিল্লীৰ আৰক্ষীৰ মতামত লোৱা হ'ব। উল্লেখযোগ্য যে ২০২০ চনৰ ফেব্ৰুৱাৰীত উত্তৰ পূব দিল্লীত সংঘটিত সংঘৰ্ষৰ ষড়যন্ত্ৰৰ সৈতে জড়িত বেআইনী কাৰ্যকলাপ প্ৰতিৰোধী আইনৰ অধীনৰ গোচৰত দিল্লী উচ্চ ন্যায়ালয়ে জামিন দিবলৈ অস্বীকাৰ কৰি ইতিপূৰ্বে দিয়া ৰায়ক প্ৰত্যাহ্বান জনাই শ্বৰ্জিল ইমাম আৰু ওমৰ খালিদ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল।

০০০০০০০০

অসম চৰকাৰে প্ৰতিৰক্ষা আৰু বিমান আকাশ খণ্ডৰ বাবে যুগুতাই উলিওৱা নীতিৰ অধীনত ৰাজ্যত প্ৰতিৰক্ষা সামগ্ৰীৰ সৈতে জড়িত উদ্যোগ স্থাপনৰ প্ৰচেষ্টা লৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৰঙিয়াৰ তুলসীবাৰীত প্ৰায় ৫০ কোটি টকা ব্যয়সাপেক্ষে স্পীড ফ'ৰ ডিফেন্স নামৰ কোম্পানীয়ে স্থাপন কৰিবলগীয়া নতুন প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ উদ্যোগৰ আধাৰশিলা স্থাপন কৰি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড° শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰঙিয়াৰ উদ্যোগটোৰে অসমত প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ আৰম্ভণি হৈছে। তেওঁ লগতে উদ্যোগটোত প্ৰায় ডেৰশ লোকে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব বুলি উল্লেখ কৰে।

বাইট

০০০০০০০০

গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ অংশ হিচাপে গোৱাৰ বিনোদন ক্ষেত্ৰৰ সৈতে জড়িত লোকসকলে আজি এটা আকৰ্ষণীয় শোভাযাত্ৰাৰ আয়োজন কৰিছে। চলচ্চিত্ৰৰ আনন্দ উদযাপন বিষয়ক এই শোভাযাত্ৰা বিয়লি ৫ বজাত পাঞ্জিমৰ চাণ্টামণিকা জেটিৰ পৰা আৰম্ভ হ'ব আৰু কলা একাডেমীত সামৰণি পৰিব। এই শোভাযাত্ৰাত গোৱাৰ পৰ্যটন বিভাগৰ উদ্যোগত ছিগম' উৎসৱৰ কুচকাৱাজৰ বিজয়ীসকলে অংশ ল'ব। গোৱাৰ পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰসাৰৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ইপিনে, মহোৎসৱৰ Creative Minds of Tomorrow অৰ্থাৎ CMOTৰ ষষ্ঠ সংস্কৰণৰ কালি সামৰণি পৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে নতুন প্ৰজন্মৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বাবে গ্ৰহণ কৰা এই ধৰজাবাহী পদক্ষেপৰ অধীনত এইবাৰ এশ গৰাকী উদীয়মান চলচ্চিত্ৰ নিৰ্মাতাক ৪৮ ঘণ্টাৰ বাবে চলচ্চিত্ৰ নিৰ্মাণৰ বিষয়বস্তু দিয়া হয়। Roots &

Wings: Honouring our Roots, Embracing our Future শীর্ষক বিষয়ত এই চলচ্চিত্রসমূহ নির্মাণৰ বাবে তেওঁলোকক কোৱা হৈছিল। এই অনুষ্ঠানৰ সামৰণিত মন্ত্রালয়ৰ অতিৰিক্ত সচিব প্রভাতে কয় যে CMOTয়ে চলচ্চিত্র উদ্যোগ আৰু উদীয়মান প্রতিভাৰ মাজত এখন সাঁকোৰ সৃষ্টি কৰিছে। ৪৮ ঘণ্টাজোৱা এই চলচ্চিত্র নির্মাণৰ প্রত্যাহ্বানৰ মুখামুখী হোৱা সকলক অভিনন্দন জ্ঞাপন কৰি শ্রীপ্রভাতে কয় যে সম্প্রতি এনিমেচন, ভিজুৱেল এফেক্টছ, গেমিং, কমিকছ আৰু এক্সটেণ্ডেড ৰিয়েলিটীৰ দৰে সুবিধাসমূহে নতুন প্রজন্মৰ সৃজনীশীল চলচ্চিত্র নির্মাতাসকলৰ বাবে অজস্র সুযোগ-সুবিধাৰ সৃষ্টি কৰিছে। এই অনুষ্ঠানত মহোৎসৱৰ সঞ্চালক তথা চলচ্চিত্র নির্মাতা আশুতোষ গোৱাড়িকাৰে কয় যে চলচ্চিত্র নির্মাণ এটা সমন্বিত প্রচেষ্টা আৰু এগৰাকী ব্যক্তিয়ে অকলে এখন চলচ্চিত্র নির্মাণ কৰিব নোৱাৰে। শ্রীগোৱাড়িকাৰে অংশগ্রহণকাৰীসকলক এই ৪৮ ঘণ্টাৰ ছবি নির্মাণৰ প্রত্যাহ্বান গ্রহণৰ সময়ত লগ পোৱা প্রতিগৰাকী উদীয়মান নির্মাতাৰ সৈতে সম্পর্ক বর্তাই ৰাখিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে এই শাখাত মোহক গান্ধী পৰিচালিত One Last Stop চলচ্চিত্রখনে প্রথম পুৰস্কাৰ লাভ কৰে। আনহাতে তমন্না ঠাকুৰ পৰিচালিত A Little Something ছবিখনে ৰাণাৰআপৰ সন্মান লাভ কৰে।

oooooooo

ভাৰত আৰু নেপালৰ সেনাৰ মাজত সূর্যকিৰণ শীর্ষক যুটীয়া সামৰিক প্রশিক্ষণৰ বিংশ সংস্কৰণ নেপালৰ ৰূপান্দেহী জিলাৰ ছালঝাণ্ডিৰ নেপালী আর্মি বেটেল স্কুলত আজি আৰম্ভ হৈছে। নেপালী সেনাৰ মিড ৰেষ্টার্ণ ডিভিজনৰ কমাণ্ডাৰ মেজৰ জেনেৰেল পূর্ণ বাহাদুৰ খত্রীয়ে এই প্রশিক্ষণ কার্যসূচী উদ্বোধন কৰে। অহা ৮ ডিচেম্বৰলৈকে চলিবলগীয়া এই প্রশিক্ষণত দুয়োখন দেশৰ বেটেলিয়ন পর্যায়ৰ সেনাসকলে অংশ লৈছে। এই কার্যসূচীত মূলতঃ দুর্যোগ ব্যৱস্থাপনা, অৰণ্যত যুদ্ধ আৰু মানৱীয় সাহায্যৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। প্রশিক্ষণকালত দুয়ো দেশৰ সেনা-জোৱানসকলে তাত্বিক আৰু ব্যৱহাৰিক জ্ঞানৰ লগতে অভিযানৰ অভিজ্ঞতা বিনিময়ৰ উপৰি পেছাগত সামর্থ্য আৰু পাৰস্পৰিক বুজাবুজি শক্তিশালী কৰাৰ ক্ষেত্রত গুৰুত্ব দিব। ২০১১ চনত প্রথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই প্রশিক্ষণ কার্যসূচী প্রতিবছৰে ভাৰত আৰু নেপালৰ মাজত সলনা-সলনিকৈ অনুষ্ঠিত হয়। এই যুটীয়া সামৰিক প্রশিক্ষণে চুবুৰীয়া দেশ দুখনৰ মাজত দীর্ঘদিনীয়া প্রতিৰক্ষা সহযোগিতা প্রতিফলিত কৰাৰ লগতে ইয়াৰ জৰিয়তে সশস্ত্র বাহিনীৰ মাজত সামৰিক সম্পর্ক আৰু পাৰস্পৰিক বুজাবুজি সুদৃঢ় কৰাৰ লক্ষ্য লোৱা হৈছে।

oooooooo

ভূপালত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ হকী প্রতিযোগিতাত আজি ভাৰত লীগ পর্যায়ৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে প্রতিযোগিতাৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে যোৱা নিশা লীগ পর্যায়ৰ এখন খেলত চীনক ৬-২ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ দীপিকাই হেট্রিক কৰাৰ বিপৰীতে লালৰেমছিয়ামী, নেহা আৰু সাক্ষী ৰাণাই এটাকৈ গ'ল দিয়ে। চীনৰ হৈ হং য়ুংগুন আৰু চেন টঙে এটাকৈ গ'ল দিয়ে। উল্লেখযোগ্য যে প্রতিযোগিতাখনত এয়া হৈছে ভাৰতৰ একেৰাহে চতুর্থ বিজয়। ইয়াৰ পূর্বে ভাৰতে মালয়েছিয়াক ৪-১, দক্ষিণ কোৰিয়াক ২-১ আৰু থাইলেণ্ডক ৭-০ গ'লত পৰাস্ত কৰিছিল। কালিৰ আন দুখন খেলত জাপানে মালয়েছিয়াক ৩-১ আৰু দক্ষিণ কোৰিয়াই থাইলেণ্ডক ১-০ গ'লত পৰাস্ত কৰে।

ভাৰত আৰু জাপান বর্তমান ১২ পইণ্টেৰে তালিকাৰ শীর্ষত আছে।

oooooooo

সমাপ্ত